গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

## সংখ্যা - ৪

১১ এপ্ৰিল, ২০১৫




অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়
সোণাৰি, শিৱসাগৰ, অসম

# আধাৰ

সংখ্যা ঃ ৪

১১ এপ্রিল, ২০১৫ খ্রীষ্টাব্দ (শনিবাৰ)

গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ,
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়,
সোণাৰি-৭৮৫৬৯০
শিৱসাগৰ (অসম)

'আধাৰ' - সংখ্যা ঃ ৪

১১ এপ্ৰিল ২০১৫ খ্ৰীষ্টাব্দ (শনিবাৰ)

গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

**সম্পাদনা সমিতি**

উপদেষ্টা ঃ
অধ্যাপিকা ড° ৰীতা দত্ত
অধ্যাপক ৰঘুনাথ কাগ্যুং (বিভাগীয় প্ৰধান)
অধ্যাপিকা পদ্মকুমাৰী গগৈ
অধ্যাপিকা বিজয়লক্ষ্মী গগৈ
অধ্যাপিকা ৰেখামণি গগৈ

সম্পাদিকা ঃ
সোণমণি পগাগ

সদস্য-সদস্যা ঃ
ভাস্কৰজ্যোতি ফুকন
কৃতী চাংমাই
চন্দ্ৰিকা কোঁৱৰ

প্ৰকাশক ঃ
অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ,
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়
আৰু
আভ্যন্তৰীণ মানদণ্ড উৎকৰ্ষ কোষ,
সোণাৰি মহাবিদ্যালয়।

মুদ্ৰণ ঃ
সাঁচিপাত প্ৰিন্টাৰ্ছ
ৰাজগড় - ৭৮৬৬১১
জিলা ঃ ডিব্ৰুগড় (অসম)
ফোন নং - ০৩৭৫৪-২৭৬৬১১



# প্ৰথম কলম

(১)

মহা বিদ্যাৰ আলয়েই মহাবিদ্যালয়। ইয়াত 'মহা' শব্দটো বিশাল বা বিস্তৃত অৰ্থত ব্যৱহাৰ কৰা হৈছে। মহাবিদ্যালয়ত বিদ্যা বা জ্ঞানৰ চৰ্চন, অৰ্চন আৰু অনুশীলন কৰা হয়। জ্ঞান বা বিদ্যাৰ পৰিসৰ ব্যাপক। সেয়ে 'মহা বিদ্যা'। বিদ্যা জীৱনৰ কাৰণেহে। জীৱনক মহীয়ান কৰিবলৈ বিদ্যাৰ আৱশ্যক।

মহাবিদ্যালয়কালীন জীৱনতে কিছুমান জ্ঞান আয়ত্ত কৰি থ'ব লাগে — যিবিলাক জ্ঞানে জীৱনটো অৰ্থবহ আৰু মহীয়ান কৰাত সহায় কৰিব পাৰে। জীৱনৰ অৰ্থবহতা বয়সৰ দীঘ-বাণিৰ ভিত্তিত জোখা নহয়, জোখা হয় কামৰ দীঘ-বাণিৰ আধাৰত। সেয়ে ভৱিষ্যতে কি কামত নিজকে নিয়োগ কৰিব — সেয়া চিহ্নিত কৰাৰ উপযুক্ত সময় হৈছে মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়খিনি। এই সময়ছোৱাত ভৱিষ্যত স্ব-কৰ্মক্ষেত্ৰ নিৰ্বাচন কৰাৰ ওপৰতে জীৱনৰ গতিপথ মূলতঃ নিৰ্ভৰ কৰে। সেয়ে মহাবিদ্যালয়কালীন সময়ছোৱা জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়।

(২)

চিন্তনৰ কৰ্ষণ আৰু অনুশীলন মহত্তম জীৱন গঢ়াৰ অন্যতম পন্থা হ'ব পাৰে। সাহিত্য চৰ্চা হৈছে চিন্তনৰ কৰ্ষণ আৰু অনুশীলনৰ উপযুক্ত ক্ষেত্ৰ। ছাত্ৰ-ছাত্ৰীসকলে সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ'ৰ বাৰ্ষিক পত্ৰিকা 'আধাৰ'ক চিন্তনৰ কৰ্ষণ আৰু অনুশীলনৰ উত্তম মঞ্চ বুলি গ্ৰহণ কৰিলে উপকৃত হ'ব বুলি মোৰ দৃঢ় বিশ্বাস।

(৩)

আমাৰ মহাবিদ্যালয়ৰ 'আভ্যন্তৰীণ মানদণ্ড উৎকৰ্ষ কোষ' (IQAC) -এ পত্ৰিকাখন প্ৰকাশ কৰিবলৈ আৰ্থিক বৰঙণি আগবঢ়াই পৰম উপকৃত কৰিলে। অধ্যক্ষ শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা আৰু "কোষ"ৰ সমন্বয়ক ড° ৰাণা কোঁৱৰদেৱলৈ জ্ঞাপন কৰিলো আন্তৰিক কৃতজ্ঞতা। বিভিন্ন ধৰণে সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক শ্ৰীযুত ৰাজীৱ কটকী আৰু বুৰঞ্জী বিভাগৰ বিভাগীয় প্ৰধান শ্ৰীযুত সুশীল চুটীয়ালৈয়ো আমাৰ তৰফৰ পৰা ধন্যবাদ জনালোঁ।

(ৰঘুনাথ কাগ্যুং)
বিভাগীয় প্ৰধান,
অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়।

# শুভেচ্ছা বাণী

সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিগত কেইবাবছৰৰ পৰাই বিভাগটোৰ বিদ্যায়তনিক দিশটোৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক উত্তৰণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ বাবে বিভাগটোৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে যিবোৰ সৃজনীমূলক তথা মৌলিক ব্যৱস্থা হাতত লৈছে সেইবিলাকে মহাবিদ্যালয়খনিৰ আভ্যন্তৰীণ গুণ-মান উন্নত কৰাত প্ৰভূত অৰিহণা যোগাইছে। ই সকলোৰে বাবে প্ৰেৰণাদায়ক।

তাহানিৰ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ কৰ্ণধাৰসকলে ভাষাৰ সাগৰত বুৰ মাৰি অসমীয়া ভাষাৰ মণি-মুকুতা সংগ্ৰহ কৰি থৈ গৈছে। যিবোৰে অসমীয়া সাহিত্যৰ ভেটি টনকিয়াল কৰি আজি জাতিটোক মহীয়ান কৰি তুলিছে। জাতিটোৰ প্ৰতি থকা অকপট প্ৰেমে তেওঁলোকক এই ক্ষেত্ৰত প্ৰাণশক্তি প্ৰদান কৰিছিল। তেওঁলোকৰ অলেখ কৰ্মৰাজিৰ ভিতৰৰ 'ভ্ৰমৰংগ' ৰ পৰিচয় পৃষ্ঠাত লিখা কথাখিনিত তেওঁলোকৰ নিঃস্বাৰ্থ প্ৰচেষ্টা প্ৰতিফলিত হৈছে — 'ভ্ৰমৰংগ। শ্বেইকছপিয়েৰৰ Comedy of errors –অৰ পৰা জনচেৰেক অসমীয়াৰ দ্বাৰা অসমীয়া ভাষালৈ কৰা ভাঙনি।' অনুবাদক কেইজনৰ ব্যক্তিগত নামতকৈ অসমীয়া পৰিচয়টোকেই এই বাক্য কেইশাৰীত প্ৰাধান্য দিয়া হৈছে। কাৰণ তেওঁলোকৰ প্ৰচেষ্টা জাতীয় স্বাৰ্থতেই নিয়োজিত।

সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগতো এনে নিঃস্বাৰ্থ প্ৰচেষ্টা দেখা গৈছে যি মহাবিদ্যালয়খনৰ ভৱিষ্যতৰ প্ৰগতিৰ এক শুভ লক্ষণ। এই প্ৰচেষ্টাৰেই এক সন্তান 'আধাৰ' — বিভাগটোৰ বাৰ্ষিক মুখপত্ৰ। এই মানস সন্তানে বিভাগটোলৈ গৌৰৱ কঢ়িয়াই আনক, তাৰেই কামনা কৰিলো।

ড° ৰাণা কোঁৱৰ, সমন্বয়ক
আভ্যন্তৰীণ মানদণ্ড উৎকৰ্ষ কোষ
সোণাৰি মহাবিদ্যালয়

(অৰ্পণ কুমাৰ বৰুৱা)
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়

# সূচীপত্ৰ


**কথা শিল্প**

* মৰহা পাপৰিত ভালপোৱাৰ সুবাস ✍ সমীৰণ বৰগোহাঁই ➢০৭
* প্ৰতাৰণা ✍ দয়মন্তী তাঁতী ➢০৯

**অনুভৱ**

* মোৰ জন্মদাত্ৰী পিতৃ আৰু মাতৃক অশেষ ধন্যবাদ ✍ সুস্মিতা কৰ্মকাৰ ➢০২
* মায়াসনা বৰষুণৰ টোপোলাবোৰ ঃ কিছু অনুভৱ ✍ কবিতা গগৈ ➢১৩
* অনুভৱৰ দলিচাত ফাগুন ✍ ৰবী ফুকন ➢১৩

**শব্দ শিল্প - ১৫-২৩**

* অনুভৱৰ একলম ◎ সবিতা লোহাৰ * প্ৰতীক্ষা ◎ জানমণি গগৈ * সময় ◎ দিপল শইকীয়া * বহুদিনেই হ'ল... ◎ ৰূপিকা বৰগোহাঁই * সেউজীয়া হৈ থাকিব বিচাৰো ◎ ৰুবী সোণোৱাল * প্ৰেমৰ খৰালি ◎ প্ৰিয়ংকা চন্দ * মোৰ গান যে নহয় শেষ ◎ লক্ষীচন্দ্ৰ দাস * এমুঠি যন্ত্ৰণা ◎ শিৱানন্দ মজুমদাৰ * জীৱনৰ নীলা ৰং ◎ যমুনা দৈমাৰী * ভালপোৱাৰ বেদনা ◎ গীতাঞ্জলী বড়া * অনুভৱ ◎ বৰ্ণালী নেওগ * এটি পুৰণি কামিজ মই ◎ দীপাংকৰ গগৈ * কিয়নো... অচিন হৈয়ো চিনাকী তুমি... ◎ মণি ফুকন * নষ্টালজিয়া ◎ দীপশিখা বড়া * তুমি আহিবা বুলি ◎ নিতু চাংমাই * শৰত ◎ কেশৰী ভূঞা

**গীত**

* আগন্তুক শৰত ✍ গীতালি শ্যাম ➢২৪

**জ্ঞান-বিচিত্ৰা**

* পাইথিৰাছৰ অভিমান ✍ ভাস্কৰ চাংমাই ➢২৪

**প্ৰবন্ধ**

* বৰ্তমান যুৱ প্ৰজন্মৰ মাজত অপৰাধ প্ৰৱণতা ✍ সোণমণি পগাগ ➢২৫


**সাময়িক চিন্তা**

* নাৰী আৰু একবিংশ শতিকাৰ সমাজ ব্যৱস্থা ✍ মণিদীপা লাহন ➢২৬
* বৰ্তমান সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা ✍ চিমি গগৈ ➢২৮
* আজিৰ শিক্ষা মোক নালাগে... ✍ মলয়া গগৈ ➢২৯
* অসমীয়া বিভাগৰ বিভিন্ন মুহূৰ্তৰ ছবি ✍ ➢২৯

# সম্পাদকীয়

একবিংশ শতিকাৰ মানৱ সভ্যতাৰ চিন্তা-চৰ্চাৰ ক্ষেত্ৰত ন-ন আৱিষ্কাৰে সমাজক এক উচ্চস্তৰত উপনীত কৰাৰ লগতে প্ৰতিটো কথা বা ঘটনাৰ ক্ষেত্ৰত এটা যুক্তিপূৰ্ণ ধাৰণা লোৱাত সহায় হয়। আমাক এখন শাশ্বত মানৱীয়তা প্ৰমূল্যবোধ আৰু প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ উত্তৰোত্তৰ কল্যাণৰ বাবে সুস্থ আৰু প্ৰগতিশীল সমাজৰ অতি প্ৰয়োজন।

আমাৰ এই বাৰেৰহনীয়া কলা-কৃষ্টিৰে ভৰা সমাজখনক এতিয়া অপসংস্কৃতিয়ে আৱৰি ধৰিছে। য'ত ব্যাভিচাৰ, অশ্লীলতাৰ পয়োভৰ বেছি হোৱাৰ লগতে নিজৰ মাতৃভাষা, নিজৰ সংস্কৃতিৰ প্ৰতি অনীহা বৃদ্ধি পাইছে। পুনৰ এখন সুস্থ আৰু শান্তিপূৰ্ণ সমাজ গঢ়িবলৈ আমি একগোট হ'ব লাগিব।



সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ'ৰ বাৰ্ষিক পত্ৰিকা 'আধাৰ'। এই পত্ৰিকাখন প্ৰতিবছৰে বিভাগীয় ছাত্ৰ-ছাত্ৰী আৰু ছাৰ-বাইদেউসকলৰ সহযোগত প্ৰকাশ পাই আহিছে। ইয়াৰ উদ্দেশ্য ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ লগতে সমাজৰ প্ৰতি থকা নিজৰ দায়বদ্ধতা আৰু কলা-সংস্কৃতি তথা মাতৃভাষাৰ প্ৰতি থকা সকলোবোৰ কৰ্তব্য উনুকিয়াই দিয়া।

সদৌ শেষত এই গৱেষণা পত্ৰখনৰ সম্পাদিকা হিচাপে পত্ৰখনৰ জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। এই পত্ৰিকাখনে যদিহে বৌদ্ধিক জগতখনক তিলমানো অৰিহণা যোগাব পাৰে আমাৰ এই পত্ৰিকাখন প্ৰকাশ পোৱাৰ ক্ষেত্ৰত সাৰ্থক হ'ব।

তৃণাং ন খাদন্নপি জীৱ মানস্তদ ভাগ্যধোয়ং
পৰমং পশুনাম।।

সোণমণি পগাগ
সম্পাদিকা 'আধাৰ'



কথাশিল্প

# মৰহা পাপৰিত ভালপোৱাৰ সুবাস

সমীৰণ বৰগোহাঁই
স্নাতক চতুৰ্থ ষাণ্মাসিক

আনদিনাৰ দৰেই এটা এটাকৈ পৃষ্ঠাবোৰ লুটিয়াই কিতাপখনৰ মাজত সযতনে সাঁচি ৰখা গোলাপৰ পাপৰিকেইটা আলফুলে হাতত তুলি ল'লোঁ। প্ৰায় দুবছৰেই হ'ল। ইতিমধ্যে পাহিকেইটা মৰহিছে যদিও আজিও সতেজ হৈ আছে তাৰ লগত জড়িত হৈ থকা স্মৃতিবোৰ। পাহিকেইটাত মৰমেৰে চুমা এটা উপহাৰ দি দুচকু জপাই দিলো আৰু উভতি গ'লো আজিৰ পৰা প্ৰায় দুবছৰ পূৰ্বৰ সেই দিনবোৰলৈ।

ব্যক্তিগত চিকিৎসালয়ৰ এটা বিশেষ কোঠাত মই আৰু মোৰ পত্নী অপৰাজিতা। সন্মুখৰ আসনত মোৰ বন্ধু আৰু বৰ্তমান এই চহৰৰ এজন নামজ্বলা চিকিৎসক গৌতম। খন্তেক পূৰ্বে সহকৰ্মী এজনে দি যোৱা ৰিপ'ৰ্টটো মনোযোগেৰে চাই আছে সি। মুখত চিন্তাৰ চাপ স্পষ্ট। আচলতে আজি কিছুদিনৰ পৰা অপৰাজিতাৰ সাংঘাতিক মূৰৰ বিষ। গতিকে তাইৰ চিকিৎসাৰ উদ্দেশ্যতে লগ কৰা হৈছে গৌতমক।

"বাৰু বন্ধু, ক'চোন। চিন্তাৰ একো কাৰণ নাইতো?" — প্ৰথমে ময়েই মাত লগালোঁ। কিন্তু আচৰিত হ'লো, যেতিয়া মোৰ কথাৰ প্ৰত্যুত্তৰত গৌতমে অসহায় দৃষ্টিৰে আমালৈ চালে। তাৰ মুখখন দেখি চিন্তিত হৈ পৰিলো।

"কি হ'ল গৌতম?" — নাই এইবাৰো সি মোৰ কথাৰ কোনো উত্তৰ নিদিলে। তাৰ পৰিৱৰ্তে অপৰাজিতালৈ চাই স্বাভাৱিক হোৱাৰ চেষ্টা কৰি ক'লে —

"বেয়া নোপোৱা যদি তুমি খন্তেক বাহিৰলৈ যাবা নেকি? আচলতে অনুৰাগৰ লগত মোৰ অলপ জৰুৰী কথা আছে।"

"মই বুজিছো। কিন্তু শুনা, যি কথা আছে মোৰ সন্মুখতে কোৱা। ময়ো জানিব বিচাৰো মোৰ প্ৰকৃততে কি হৈছে।" সহজভাৱেই ক'লে অপৰাজিতাই।

"কিন্তু!!"

"কোনো কিন্তু নাই গৌতম। কোৱা তুমি, আচলতে ৰিপ'ৰ্টটোত কি আছে।" — এইবাৰ তাই কিছু জোৰ দি ক'লে কথাষাৰ।

"আচলতে ৰাগ..."— কথাষাৰ ক'ব নোৱাৰি ৰৈ গ'ল গৌতম।

"তুমি নোকোৱা কিয় গৌতম? তোমাক হাত যোৰ কৰি কৈছোঁ, কোৱা মোৰ প্ৰকৃততে কি হৈছে?"— উত্তেজনাত কঁপি উঠিল অপৰাজিতা।

"তাইৰ ব্ৰেইন টিউমাৰ হৈছে ৰাগ। লগতে দুখৰ কথা যে ৰোগটোৰ এইয়া শেষ

স্তৰ। তাই হয়তো আৰু ..." — কথাষাৰ শেষ কৰাৰ পূৰ্বেই তাৰ মাতটো কঁপি উঠিল। সি আৰু একো ক'ব নোৱাৰিলে। মোৰ কান্ধত লাহেকৈ এবাৰ হাতখন থৈ খৰখোজেৰে কোঠাটোৰ পৰা আঁতৰি গ'ল।

বাক্‌ৰুদ্ধ হৈ পৰিলো মই। সন্মুখত যেন মাথোঁ আন্ধাৰ। হঠাৎ হাতত জতাৰ হাতৰ স্পৰ্শ অনুভৱ কৰি চকুপানী মচি তাইলৈ চালো। আচৰিত হ'লো। তাই কন্দা নাই। বৰঞ্চ তাইৰ স্বভাৱসুলভ মিঠা হাঁহিটো মাৰি ক'লে —

"হ'ব দিয়া ৰাগ। তুমি কান্দিছা কিয় ? একো নহয় অ'। চোৱা মইতো ঠিকে আছো। এতিয়াও আমাৰ হাতত বহুত সময় আছে। আমি লগতে থাকিম নহয়। তুমি মন বেয়া নকৰিবা দেই। কিন্তু এটা কথা, এতিয়া তুমি মোক আগতকৈয়ো বেছি মৰম কৰিব লাগিব। নহ'লে কিন্তু মই তোমাক খুউব বেয়া পাম।"

ভাবি নাপালো তাইক কি প্ৰত্যুত্তৰ দিওঁ। যি সময়ত মই তাইক সান্ত্বনা দিব লাগিছিল, সেইসময়ত তাইহে মোক সান্ত্বনা দিব লগা হৈছে! একো নক'লো, মাথোঁ তাইৰ হাতখনত লাহেকৈ চেপি ধৰিলো। উপলব্ধি কৰিলে, এগৰাকী নাৰীৰ মানসিক শক্তি।

অকস্মাৎ দুগালেৰে বৈ অহা লোতকৰ স্পৰ্শত বৰ্তমানলৈ ঘূৰি আহিলো। সন্মুখত থকা অপৰাজিতাৰ ফটোখনলৈ চালো। সেই অসহ্য বিষটো মূৰত লৈ এই মানুহজনীয়ে পাৰ কৰিছিল প্ৰায় তিনিটাকৈ মাহ। উন্নত চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰলৈও লৈ গৈছিলো তাইক। কিন্তু গৌতমৰ দৰেই আন চিকিৎসকৰো একেই ভাষ্যত নিৰাশ হৈ পৰিছিলো। তথাপি অন্তিম দিনকেইটাত অপৰাজিতাক সুখত ৰাখিবলৈ যিমান পাৰি সিমান চেষ্টা কৰিছিলো। ক্ৰমশঃ সময়ৰ লগে লগে বাঢ়ি আহিছিল তাইৰ মূৰৰ বিষটো। তাইৰ সেই কষ্ট দেখিও মিছা সান্ত্বনা দিয়াৰ বাহিৰে কোনো উপায় নাছিল মোৰ। কেতিয়াবা অসহায় হৈ চাই ৰৈছিলো তাইৰ চকুলৈ। অৱশ্যে তায়ো বুজিছিল মোৰ অৱস্থাটো।

হঠাৎ আকৌ মনত পৰি গ'ল, তাই মোক এৰি অজান দেশলৈ আঁতৰি যোৱা সেই দিনটোৰ কথা।

অসহ্য বিষটোৱে তাইক খুলি খুলি খাইছে। আনদিনাৰ দৰেই বিছনাখনতে শুই খিৰিকিৰে বাহিৰৰ ফুলনিখনলৈ চাই আছে। কাষত মই। পৰাজিত সৈনিকৰ দৰেই নিৰুপায়। লাহে লাহে তাইৰ মূৰত হাত বুলাই আছো। তাই লাহেকৈ মৌলৈ চালে। শেঁতা হাঁহি এটা মাৰি প্ৰায় অস্পষ্টভাৱে ক'লে —

"ৰাগ, মোক গোলাপ এপাহ আনি দিয়ানা।" — অনুভৱ কৰিলোঁ, কথাষাৰ কওঁতে তাইৰ কষ্ট হৈছে। গতিকে পলম নকৰি খন্তেকৰ বাবে তাইক অকলে এৰি ফুলনিৰ পৰা সতেজ গোলাপ এপাহ আনি তাইৰ হাতত তুলি দিলো। কিন্তু মোক আচৰিত কৰি তাই ফুলপাহৰ পাপৰিবোৰ খন্তেকতে এৰুৱাই পেলালে। বুজি নাপালো তাই আচলতে কি কৰিব বিচাৰিছে। খন্তেক পাছতে দেখিলে পাহিবোৰত তাই দুটামান চুম্বন দিছে। তাৰ



পাছত তাৰে কেইটামান পাহি নিজে ৰাখি বাকী অংশ মোৰ হাতত তুলি দি প্ৰায় উচুপি উচুপি ক'লে —

"সোণ, এইয়া লোৱা। তোমালৈ মোৰ শেষ উপহাৰ। আৰু শুনা, মোৰ হাতত থকা পাপৰিকেইটা মোৰ চিতাত তুলি দি তাৰেই মোক শেষ বিদায় জনাবা দেই। তুমি কিন্তু দুখ নকৰিবা। তোমাৰ মৰম-ভালপোৱাৰ মাজত মই সদায় জীয়াই থাকিম।"

কি ক'ম, কি নক'ম একো ভাবি নাপাই তাইক সাৱটি ধৰি কান্দি পেলালে। তায়ো কান্দিছে। মৃত্যু ভয়তকৈও হয়তো মোক অকলে এৰি যোৱাৰ দুখত। কাৰণ তাই ভালকৈয়ে জানে তাই গুচি যোৱাৰ পাছত একেবাৰেই অকলশৰীয়া হৈ ৰ'ম মই। কিমান সময় তেনেদৰে আছিলো নাজানো। হঠাৎ মন কৰিলো, ক্ৰমাৎ শিথিল হৈ আহিছে, তাইৰ দুহাত। বুজিলো, ইতিমধ্যে মোৰ বুকুতে তাই ত্যাগ কৰিছে তাইৰ অন্তিমটো তপত নিশ্বাস। তাই গ'লগৈ।

কথাবোৰ মনত পৰাত এনে লাগিল যে কোনোবাই বুকুত হাতুৱীৰেহে কোবাইছে। তাইৰ ফটোখন জোৰেৰে সাৱটি ধৰি হাতৰ পাহিকেইটালৈ চালো। অনুভৱ কৰিলো, মোৰ চকুৰ পানী পৰি পাহিকেইটা যেন সতেজ হৈ পৰিছে আৰু ক্ৰমশঃ কোঠাটোত বিয়পি পৰিছে ভালপোৱাৰ এক মিঠা সুবাস।

□□

# প্ৰতাৰণা

**দময়ন্তী তাঁতী**

**স্নাতক ষষ্ঠ ষাণ্মাসিক**

আজি দেওবাৰ। ৰাতিপুৱাৰ পৰা খেলা-ধূলা কৰি ভাগৰা নাই প্লাৱিতাই। আজি তাইৰ মন অসন্তুষ্ট; কাৰণ আজি তাই লগৰ সমনীয়াৰ লগত আবেলিলৈকে খেলিবলৈ নাপালে। দেউতাকে তাইক মাতি ক'লে, "আজিৰ পৰা তোৰ টিউচন, সোনকালে ভৰি-হাত ধুই পঢ়া টেবুলত বহগৈ।" প্লাৱিতাৰ ককায়েক ৰক্তিম। ৰক্তিমৰ আজিকালি ৰঞ্জনৰ লগত খুব লগ। ৰঞ্জন তেওঁলোকৰ ওচৰৰে আন এখন গাঁৱৰ ল'ৰা। তেওঁৰ ঘৰৰ অৱস্থা ইমান ভাল নহয় যদিও সি পঢ়াত ভাল আৰু সকলোৰে প্ৰিয়পাত্ৰ। ৰঞ্জন খুব গহীনকৈ থাকে, ধেমালি কৰি সি ভাল নাপায়, বেছি নাহাঁহেও। প্লাৱিতাৰ দেউতাকে আজি ৰঞ্জনক প্লাৱিতাৰ অলপ পঢ়া-শুনা চাই দিবলৈ ঘৰলৈ মাতিছে। প্লাৱিতাৰ মনত খুব দুখ। আজিৰ পৰা সদায় আবেলি পঢ়িব লাগিব। মুকলি আকাশত উৰি ফুৰা চৰাই যেন আজি সঁজাত বন্দী হৈ গ'ল।

আবেলি প্লাৱিতাই বাৰে বাৰে নঙলামুখত ওলাই ৰাস্তাৰ ফালে চাই আছে। যেতিয়াই ৰঞ্জনদাক দেখা পালে একে দৌৰে আহি পঢ়া টেবুলত বহিলগৈ। ককায়েকৰ লগত ৰঞ্জনৰ বন্ধুত্ব যদিও তাই আগতে ৰঞ্জনক দেখা নাই। তাইৰ ভয় লাগিছে। ৰঞ্জনদাই আহিয়ে অংক কৰিবলৈ দিলে। প্লাৱিতাৰ কিন্তু পঢ়াত মন বহা নাই। এইটো সময়ত তাই সদায় খেলা-ধূলা কৰিয়ে সময় পাৰ কৰে। মাকে চাহ বনাই ৰঞ্জন আৰু প্লাৱিতাক দিলে। ৰঞ্জনে যোৱাৰ আগত তাইক হ'মৱৰ্ক কৰিবলৈ দি থৈ গ'ল। এনেকৈ সদায় হ'মৱৰ্ক কৰিবলৈ দিয়ে কিন্তু প্লাৱিতাই খেলা-ধূলাত মগ্ন হৈ কেতিয়াবা হ'মৱৰ্ক কৰিবলৈ পাহৰি যায় আৰু ৰঞ্জনদাৰ পৰা কাণ চেপা খায়।

ৰঞ্জনে নিজৰ পঢ়া খৰচ নিজে উলিয়াইছিল। সি কলেজত ডিগ্ৰী পঢ়ি আছিল। তাৰ সৰু দোকান এখন আছিল। টিউচন কৰি ঘৰলৈ যাওঁতে তাৰ বহুত ৰাতি হয়। কেতিয়াবা প্লাৱিতাহঁতৰ ঘৰতে ৰাতিৰ ভাত সাঁজ খাই যায় আৰু কেতিয়াবা ৰক্তিমৰ লগতে তাতে থাকি যায়। কিছুদিন পাছতে প্লাৱিতাৰ মেট্ৰিক পৰীক্ষা। ৰঞ্জনে বেছিভাগ সময় তাইক পঢ়াই দিয়ে। এনেকৈয়ে প্লাৱিতাৰ ঘনিষ্ঠতা বাঢ়ে ৰঞ্জনৰ লগত আৰু তাই গম নোপোৱাকৈ ৰঞ্জনৰ প্ৰেমত পৰে। ৰঞ্জনেও তাইৰ লগত সময় কটায় বৰ ভাল পায়। গহীন ৰঞ্জনে ধেমালি কৰিবলৈ শিকিলে, হাঁহিবও শিকিলে। লাহে লাহে সিহঁতৰ প্ৰেম গভীৰ হৈ গৈ থাকিল। ইজনে সিজনক নেদেখাকৈ থাকিব নোৱাৰা হ'ল, এদিন কথা নাপাতিলে ভাল নলগা হ'ল।

এদিন প্লাৱিতাই ৰঞ্জনলৈ লিখি থোৱা প্ৰেমপত্ৰ পৰিল তাইৰ দেউতাকৰ হাতত। দেউতাকে তাইক একো নক'লে। ৰঞ্জনক ৰাতি ঘৰৰ পৰা ওলাই যাবলৈ নিৰ্দেশ দিলে। সি গুচি গ'ল। প্লাৱিতাই গোটেই ৰাতি কান্দি থাকিলে। কান্দি কান্দি তাই দেউতাকক কৈছিল, "দেউতা মই ৰঞ্জনক বহুত ভাল পাওঁ। তাৰ অবিহনে মই থাকিব নোৱাৰিম।" তাইৰ কন্দা-কটা দেউতাকে সহ্য কৰিব নোৱাৰি তাইক কথা দিলে ৰঞ্জনক আকৌ ঘূৰাই মাতি আনিব।

পিছদিনা ৰঞ্জনক প্লাৱিতাৰ দেউতাকে মাতি আনি দুয়োৰে ভালপোৱাক গ্ৰহণ কৰিলে আৰু সোনকালে বিয়া কৰাই দিয়াৰ প্ৰতিশ্ৰুতিও দিলে। তাই মনতে বৰ আনন্দ পালে। প্লাৱিতাৰ বিয়াত বহাৰ বয়স হোৱা নাছিল; লগতে ৰঞ্জনৰো কোনো চাকৰি নাছিল। প্লাৱিতাৰ দেউতাকে বাগানত মহৰী কৰে। ৰঞ্জনে প্লাৱিতাহঁতৰ ঘৰতে থাকিবলৈ ল'লে। তাইৰ ঘৰত থকা অৱস্থাতে ৰঞ্জনেও সেই বাগানত চাকৰি কৰাৰ সুবিধা পায়। লাহে লাগে সকলোতে প্লাৱিতা-ৰঞ্জনৰ প্ৰেম বিয়পি পৰে। তাই হায়াৰ চেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তাইৰ মাকে বিয়াখন পাতি দিয়াৰ কথা চিন্তা কৰিলে। কিন্তু ৰঞ্জনেই তাইক ডিগ্ৰী পঢ়ি ল'বলৈ অনুমতি দিলে। তায়ো তাৰ কথামতে ডিগ্ৰীত নামভৰ্তি কৰিলে। কিন্তু কলেজলৈ দূৰ হোৱাত হোষ্টেলত থাকিবলৈ ল'লে আৰু ৰঞ্জন তাইৰ ঘৰত। এনেকৈ



দুয়োটাৰ মাজত দূৰত্ব নামি আহিল। তাঁহাতৰ মাজত থকা গভীৰ প্ৰেম কমিবলৈ ধৰিলে। কথাতে কয়, 'চকুৰ আঁতৰ হ'লে মনৰ আঁতৰ হয়'। ৰঞ্জনৰ মন সলনি হ'ল। সি এদিন তাইৰ ঘৰৰ পৰা গুচি গ'ল। চাহাবৰ লগত কথা পাতি ষ্টাফত এটা কোৱাৰ্টাৰ ল'লে আৰু তাতে থাকিবলৈ ধৰিলে। তেতিয়াও প্লাৱিতাই তাক একো নক'লে। তেতিয়াও তাইৰ প্ৰতি তাৰ ভালপোৱা সমানে আছিল। ৰঞ্জনে অন্য ছোৱালী এজনীক ভাল পায় বুলি প্লাৱিতাই এদিন গম পালে। তাই মনত বহুত আঘাত পালে। আকাশখন মূৰতে খহি পৰা যেন লাগিল তাইৰ। যিজন মানুহক তাই আটাইতকৈ বেছি ভাল পাইছিল, সেইজনে তাইৰ বাহিৰে আন কাৰোবাক ভাল পায়। তাই বহুত কান্দিলে। তাই কোনোদিন ভবা নাছিল তাইৰ জীৱনত এনে সংঘাত আহিব বুলি। তাই ভাবিলে তাই যেতিয়া ৰঞ্জনক লগ পাব গালি দিব। কিন্তু লগ পোৱাৰ পাছত তেনেকুৱা একো নহ'ল। প্লাৱিতাই মনত সন্দেহ লৈ ৰঞ্জনক সুধিলে, "তুমি মোৰ বাহিৰে আন কাৰোবাক ভাল পোৱা নেকি?" ৰঞ্জনে হাঁহি হাঁহি ক'লে, "পাগলী ক'ৰবাৰ, মই কাকো ভাল নাপাওঁ। মই তোমাক ভাল পাওঁ আৰু তোমাকে বিয়া কৰাম।" এইখিনি কৈয়ে ৰঞ্জনে প্লাৱিতাৰ কপালত মৰমৰ চুমা এটি আঁকি দিলে। তাই উৎফুল্লিত হৈ গ'ল।

ৰঞ্জন আৰু প্লাৱিতাৰ মাক-দেউতাকে ব'হাগত সিহঁতৰ বিয়াৰ সিদ্ধান্ত ল'লে। প্লাৱিতা বহুত সুখী। তাইৰ আশা-আকাংক্ষাবোৰ পূৰণ হ'বলৈ গৈছে। তাই সপোন ৰচাত ব্যস্ত হৈ গ'ল। দুৰ্গা পূজাত প্লাৱিতাহঁতৰ বাগানত পৰ্দাত চিনেমা দেখুৱায়। তাই পৰ্দাত চিনেমা চাই বৰ ভাল পায়। ৰঞ্জনে কিনি দিয়া কাপোৰ এযোৰ পিন্ধি তাৰ লগতে তাই ৰাতি চিনেমা চাবলৈ ওলাই গ'ল। চিনেমা চাই থাকোতে ৰঞ্জনে তাইলৈ চিপচ্‌, চানা, চকলেট আনি দি থৈ লগৰকেইটামানৰ লগত গ'লগৈ। ৰাতি ১২ বাজিল। প্লাৱিতাৰ দুচকুৱে ৰঞ্জনক বিচাৰি আছে কিন্তু দেখা পোৱা নাই। তাই মেছেজ কৰিলে, 'ক'ত আছা?' একো উত্তৰ নাহিল। অলপ পিছত ৰঞ্জনে ফোন কৰি ক'লে, "মোৰ টোপনি ধৰিছে মই ঘৰ যাওঁ।" প্লাৱিতাই ক'লে, "যোৱা, মই দাদাহঁতৰ লগত ঘৰ যামগৈ।"

ৰাতিপুৱা ৪ বজাত প্লাৱিতাই ঘৰ গৈ ৰঞ্জনলৈ ফোন লগাই আছে Switch Off। অসংখ্য মেছেজ কৰিছে, 'মোক বেয়া নাপাবা, Please' বুলি। তাই লগে লগে উত্তৰ দিলে— 'মই তোমাক কিয় বেয়া পাম?' তেতিয়া ৰঞ্জনৰ উত্তৰ আহিল, 'মোক ভুল নুবুজিবা প্লাৱিতা, এইটো তোমালৈ মোৰ শেষ মেছেজ... মই বিয়া পাতিলো...।'

❑❑

# মোৰ জন্মদাত্ৰী পিতৃ আৰু মাতৃক অশেষ ধন্যবাদ

অনুভৱ

সুস্মিতা কৰ্মকাৰ
স্নাতক দ্বিতীয় ষাণ্মাসিক

এই পৃথিৱীৰ ধূলি স্পৰ্শ কৰোঁৱা বাবে মোৰ জন্মদাত্ৰী আইক ধন্যবাদ। ধন্যবাদ মোৰ ওপজা ভূমি ভাৰতবৰ্ষ। জন্ম গ্ৰহণ কৰা ভাৰতবৰ্ষ নামটোতেই যেন সোমাই আছে এখ অনাবিল শিহৰণ, এক অদ্ভুত আকৰ্ষণ। এই ধৰাৰ ধূলি স্পৰ্শ কৰি সকলোৱে পায় এক জীৱনৰ অভুতপূৰ্ব শিহঁৰণ, অন্যান্য মাদকতা।

সন্তানে যেতিয়া পিতৃ-মাতৃৰ সঁহাৰি লৈ জীৱনৰ পথত থিয় দিম বুলি থিৰাং কৰে — তেতিয়া মনত এক অব্যক্ত পিতৃভক্তি আৰু মাতৃভক্তি জাগ্ৰত হৈ উঠে। কিন্তু আজীৱন নিজৰ সন্তানৰ বাবে অপৰিসীম ত্যাগ কৰা পিতৃ-মাতৃয়ে জানো সন্তানৰ পৰা প্ৰকৃত স্বীকৃতিখিনি পায় ?

দেউতাৰ ঘামে ধোৱা বনিয়নৰ গোন্ধটো অথবা দামী পাৰফিউমৰ গোন্ধেৰে গোন্ধাই থকা দেউতাৰ চোলাটো ... ডাঙৰ হৈ অহাৰ লগে লগে সন্তানে পাহৰি যায় নেকি এই চিনাকি গোন্ধবোৰ। কিন্তু যদি যায় কিয় ? উত্তৰ দিয়াটো সহজসাধ্য নহয়। হয়তো কিছু সন্তানে জন্ম দিয়া পিতৃ-মাতৃকো পাহৰি যায়। পাহৰি যায় পিতৃ-মাতৃৰ বুকুত শুবলৈ, সংকোচ কৰি সুখে-দুখে দেউতাৰ বুকুত এবাৰ উচুপিবলৈ, পাহৰি যায় অন্তৰৰ ভাৱ-অনুভূতি ব্যক্ত কৰিবলৈ। প্ৰকৃততে পৃথিৱীৰ প্ৰতিটো সন্তানে জানে জন্মদাত্ৰী পিতৃ-মাতৃ তেওঁলোকৰ বাবে এজন জাগ্ৰত প্ৰহৰী। কিন্তু নিষ্ঠুৰ সন্তানে পাহৰি যায় পিতৃ-মাতৃৰ বুকুৰ উমত নিৰ্ভয়ে টোপনি যাবলৈ।

পৃথিৱীৰ সকলো সন্তানৰ হৈ মই মা-দেউতাৰ এচৰত ক্ষমা বিচাৰিছোঁ, লজ্জিত হৈছো পিতৃ-মাতৃৰ আশা এশ শতাংশ পূৰণ কৰিব নোৱাৰাৰ বাবে। সেয়ে আঁহা আমি সকলো সন্তানে মিলি আমাৰ পিতৃ-মাতৃক কেৱল মাত্ৰ পাৰ্থিৱ প্ৰয়োজনীয়তাৰ অন্য এক নাম হৈ থাকিবলৈ নিদি বিশেষ প্ৰয়োজনীয়তাৰ এক অবিচ্ছেদ্য অংগ কৰি তোলা। এটি বিশেষ প্ৰবাদে মোৰ জীৱনত অধিক গুৰুত্ব বঢ়াই দিছে। সেইটো হ'ল —

"পিতাই, আইৰ সমান হ'ব কোন,
নদ-নদীৰ সমান ব'ব কোন।"

□□



# মায়াসনা বৰষুণৰ টোপালবোৰ ঃ কিছু অনুভৱ

কবিতা গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক

কোমল পুৱাৰ এটি মোহনীয় ৰাতিপুৱা আজি। আকাশৰ পৰা টোপাল টোপাল বৰষুণৰ পানী সৰি সৰি পৰিছে... মৌনতাৰ দুৱাৰ খুলি গুণগুণাই তুমি মোক জগাই দিলাহি। তোমাৰ শব্দত মই সাৰ পাই বাহিৰলৈ আহিলো। দুহাতত টোপাল টোপাল পানী লৈ অনুভৱ কৰিছো বৰষুণ তোমাৰ আলফুলীয়া আভাস... নিমিষতে যেন তুমি হিয়া উজাৰি বিলাই দিছা মায়াসনা বৰষুণৰ টোপালবোৰ। তোমাৰ এই সৌন্দৰ্য্য উপভোগ কৰিয়েই কবিয়ে কবিতাৰ ঘৰ সাজিছে। কিন্তু মইতো কবি নহয় ... নাজানো মই কবিতাৰ ঘৰ সাজিব। মাথোঁ অনুভৱ কৰো তোমাৰ মায়াসনা শব্দবোৰ, তোমাৰ টোপাল টোপাল বৰষুণৰ পানীবোৰ যেন মুকুতা হৈ সৰি সৰি পৰিছে। মই আলফুলে দুহাতত লৈ যেন চৌদিশে ছটিয়াই দিম আৰু ফুলৰ পাহিত থৈ যাম সময়ৰ আলফুলীয়া কাহিনী... আলফুলে সাঁচি ৰখা যেন এয়া মোৰ এক নিজস্ব নিচা... তুমি মোৰ হৃদয়ত সুৰৰ ঝংকাৰ তুলিলাহি... সেয়ে মৌন হৈ শুনি আছো তোমাৰ গুণগুণনি।

□□

# অনুভৱৰ দলিচাত ফাগুন

ৰবী ফুকন
স্নাতক ষষ্ঠ ষান্মাসিক

জীৱনৰ অন্তহীন যন্ত্ৰণাক পাহৰাই মন-প্ৰাণ চঞ্চল কৰা ফাগুন আহি অনুভৱৰ নঙলা খুলি সোমাই আহিল প্ৰকৃতিৰ বিনন্দীয়া ধৰালৈ। এতিয়া আকাশত আল্পনা আঁকিছে পলাশ, শিমলু, মদাৰে। যৌৱনৰ শৌৰ্য-বীৰ্য ধ্বজা উৰুৱাই প্ৰকৃতি ক্ৰমশঃ অন্তঃসত্তা। ঋতুৰাজ বসন্তক গৰ্ভত লৈ ফাগুনে এতিয়া মাথোঁ চাৰিওদিশে আনন্দ আৰু ৰং উলাহৰ মহা আয়োজন। শুকান পাতৰ মাজে মাজে খহি পৰিছে যন্ত্ৰণাময় বিষাদৰ ছাঁ। হেৰুৱাৰ দুখ-বেদনাই আমনি কৰে যদিও সমুখত নতুন আশাৰ ৰেঙনি। লঠঙা গছত খেলিব সুখৰ কুঁহিপাত। এইদৰে সমগ্ৰ ধৰণীখন সেউজীয়া হ'ব।

ফাগুনক আদৰি আনিবলৈ ৰঙা সাজ-পাৰ পিন্ধি পলাশ, শিমলুৰে আলফুলে চুমা আঁকিছে প্ৰকৃতিৰ বিনন্দীয়া মুখত। শীত আৰু গ্ৰীষ্মৰ বয়ঃসন্ধিৰ এই ক্ষণত। ৰিঙা-ৰিঙা পথাৰত ৰিঙা-ৰিঙা মন। পছোৱাৰ তালে তালে গছ-পাতৰ সুবাসনা সুৰ। এইদৰে ফাগুনে দুৱাৰত টুকৰ মাৰেহি।

ফাগুন মানেই বিশালতা, এসাগৰ ৰিঙা ৰিঙা ভাৱৰ উদাস আকুলতা। এই বিনন্দীয়া পৃথিৱীৰ সমস্ত উৰুঙাখিনি যেন লুকাই থাকে ফাগুনত। পোৱা-নোপোৱাৰ, দুখ-যন্ত্ৰণাৰ সমস্ত শূন্যতাই যেন ভিৰ কৰেহি ৰিক্ত ফাগুনৰ বুকুত। ফাগুন মানেই ৰঙীন আকাশ, বৰষাৰ আপেক্ষাৰত চিৰাল ফটা উদং পথাৰ। ফাগুন মানেই শুকান বতাহ, উকা-উকা মন, শূন্যতাৰে নিঃস্ব হৈ পৰা তৰাং নদীৰ ওচৰ চাহি অহা দুটি পাৰ। এয়া ফাগুনৰ আঁচল উৰাই নিয়া বতাহ। সেয়ে হেনো ফাগুনে আউল লগাই গাভৰু মন। ৰিঙা ৰিঙা উদাস মনত উথলি উথে প্ৰেম, ভালপোৱা আৰু যৌৱন। এয়াই ফাগুনৰ হৃদয়ত আমনি কৰা ভাষা।

ঋতু পৰিৱৰ্তন হ'লে মানুহৰ শৰীৰ আৰু মনৰো যে পৰিৱৰ্তন হ'ব পাৰে তেনে এক বিশেষ মাহ ফাগুন। মনোবিজ্ঞান আৰু চিকিৎসা শাস্ত্ৰইও কয় ফাগুন মাহৰ পৰা ব'হাগ মাহ পৰ্যন্ত দাম্পত্য জীৱন আৰম্ভ কৰাৰ শুভ সময়। লক্ষ্য কৰিব, প্ৰাকৃতিক ঐশ্বৰ্য আৰু মনৰ মাজত হোৱা এক প্ৰশান্তিময় আহ্লাদত আপুনিও কেতিয়াবা আদৰিছে নে ফাগুনক? প্ৰিয় বন্ধু প্ৰিয় নাৰীৰ সৈতে একান্ত নিবিড়ভাৱে কটোৱা মুহূৰ্তবোৰত ফাগুনে অনা সৌন্দৰ্যই আপোনাৰ জীৱনৰ ৰং-ৰূপ সলাই পেলাব পাৰে। এই পৰিৱৰ্তনবোৰৰ মাজেৰে আপোনাৰ আৰম্ভ হ'ব পাৰে যুৱীয়া জীৱনৰ প্ৰথম খোজ। যুৱীয়া জীৱনৰ প্ৰথম কুঁহিপাত মেলা দিন ফাগুনক আপুনি আদৰণি জনালে আপুনি নভবাকৈ। কাৰণ আশা আৰু সম্ভাৱনাৰ বীজ লুকাই থাকে এই ফাগুনৰ বুকুত।


প্ৰাকৃতিক চিৰাচৰিত নিয়মৰ দৰেই প্ৰকৃতিৰ বুকুলৈ অহা ফাগুনৰ দৰে প্ৰত্যেক মানুহৰ জীৱনলৈ ফাগুন আহে, কাৰণ ফাগুন মানে যে বসন্তৰ আগমনৰ সময়।

❑❑



শ
ব্দ
নি
ক্ষ

# অনুভৱৰ একলম ...



সবিতা লোহাৰ
স্নাতক দ্বিতীয় ষাণ্মাসিক

সপোনবোৰ আজিকালি বাঢ়ি আহিছে লহপহকৈ
চিলা উৰুৱাই সপোনতেই
সীমাবদ্ধ নহয় সপোনৰ সংজ্ঞা
বাঢ়ি আহিছে ক্ৰমশঃ।
অলপ সুখ আৰু অলপ দুখ
এয়াতো জীৱনৰ সীমা
তাতে আছে হাঁহি কান্দোন আৰু
প্ৰেমৰ ঝংকাৰ।
পখিলাই খেদাৰ দৌৰতেই সীমাবদ্ধ নহয়
জীৱন যুঁজৰ দৌৰ।
তাৰ পাছতো থাকে গন্তব্য স্থান পোৱাৰ প্ৰবল ইচ্ছা
জীৱন নামৰ দ্ৰুত গতিৰ ৰেলখনত
ক্ৰমে আগবাঢ়ি গৈছোঁ
এই চিৰিৰ শেষৰটো ষ্টেচন পোৱাৰ স্পৃহাত।
তথাপিও,
সোণাৰুৰ হালধীয়াৰে
পলাশৰ ৰঙেৰে
মোৰ বুকুত ফুলে
হেজাৰ সপোনৰ ফুল
বুকু ভৰি।

❑❑

# প্ৰতীক্ষা

জানমণি গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক

হৃদয়ৰ ভঙা কেনভাছত
আঁকিছো তোমাৰ ছবি
নাজানো কি ৰঙে শুৱাব ...
গুলপীয়া নতুবা সেউজীয়া?
তুমি ভালপোৱা ৰঙেৰে
বোলাম মোৰ
প্ৰতাৰণাৰ চুনামীত বিধ্বস্ত
মোৰ হিয়াৰ নতুন ঠিকনা।
সিঁচিম ভালপোৱাৰ শইচ
জীপাল হ'ব ৰঙীন সপোন
সঁজাল ধৰি উঠিব আশা
এদিন আনি থ'ম
আলসুৱা আঁচলত
সযতনে ৰাখিম সাঁচি।
অস্তগামী আশাৰ বাটত
আঁকিছো প্ৰেৰণাৰ তুলিকা
য'ত থাকিব নতুন বতৰা
এটা নতুন দিনৰ
আকুল প্ৰতীক্ষা ...।

❑❑

# সময়

দিপল শইকীয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক



শীতৰ নিয়ৰত শব্দবোৰ উৰি উৰি
বতাহত মিলি গ'ল শূন্য হৈ
ভাষাবোৰ হেৰাই গ'ল কচুপাতৰ পানীৰ দৰে
দিনবোৰ হেৰাই গ'ল কচুপাতৰ পানীৰ দৰে
এটা এটাকৈ প্ৰতিশ্ৰুতিবোৰো শেষ হ'ল
সেইদিনা সময় আহিছিল এখোজ-দুখোজকৈ
এতিয়া সময় শেষ হ'ল কোনেও নজনাকৈয়ে
এটা এটাকৈ তিনিটা নক্ষত্ৰ হেৰাই গ'ল
দূৰলৈ বহু দূৰলৈ ...
গান আৰু কবিতাৰ হৃদয়খন ঠেকা খাই
সেই যে দিনবোৰ আহিছিল
বহুতো প্ৰতিশ্ৰুতিলৈ
নিয়তিৰ নিষ্ঠুৰ পৰিহাসত
সময় এতিয়া শেষ হ'ল
জীৱনৰ ভোগজৰাত সপোনৰ প্ৰতিচ্ছবি
হেৰাই গ'ল এখিলা শুকান পাতত
আহিনৰ নিয়ৰসনা মুকুতাবোৰো
আঘোণৰ পথাৰলৈ অপেক্ষা কৰে
সময়ৰ স'তে বহু আশাৰে
বহু প্ৰতিশ্ৰুতিৰে।

❑❑

# বহুদিনেই হ'ল

ৰূপিকা বৰগোহাঁই
স্নাতক দ্বিতীয় ষাণ্মাসিক

সঁচাকৈয়ে বহুদিনেই হ'ল
জোনাকী ৰাতিবোৰে কথা নোকোৱাৰ
তৰা এথুপিয়ে মিচিকি হাঁহি নমৰাৰ
এতিয়া আঙুলিৰ পাবত
সময় হিচাপ কৰিলেও আমনিহে লাগে।
হিচাপ বিহীন কিমান দিন আৰু ৰাতি
মোৰ বুকুৰেদি চকুলো হৈ
বাগৰি গ'ল এতিয়া নিজৰে খবৰ নাই।
এতিয়া জোনাক দেখিলে মাথোঁ
চকুলো সৰে, বেদনাৰ হুমুনিয়াহ ফুটে
এতিয়া মাথোঁ মন যায়
আজাৰৰ বিষণ্ণতাত ডুব যাবলৈ
বিষন্ন ৰাতি, বিবৰ্ণ দিনবোৰে
ভাৰাক্ৰান্ত গধুৰ বুকু আৰু অধিক
সেমেকাই তোলে সোঁৱৰণীৰ
এছাটি বৰ্ষা হৈ সঁচাকৈয়েই বহুদিনেই হ'ল
পাহৰি যোৱা হাঁহিবিলৈ।

❑❑



# সেউজীয়া হৈ থাকিব বিচাৰোঁ

ৰুবী সোণোৱাল
স্নাতক দ্বিতীয় ষাণ্মাসিক

মই সেউজীয়া হৈ থাকিব বিচাৰোঁ
হৃদয়হীন মানুহবোৰৰ কঠোৰতা,
স্বপ্নবিহীন পথিকৰ ভিৰৰ মাজতো
মই, মই হৈ থাকিব বিচাৰোঁ
কাৰণ মই সেউজীয়াক ভালপাওঁ।
জটিল পৃথিৱীৰ এযুত বেদনা পাইও
মই পৃথিৱীক বেয়া পোৱা নাই,
পাবও নোৱাৰোঁ
কবিতাৰ পৃথিৱীত বেদনাৰো যে ...
বেদনাৰো যে
এক সেউজীয়া সত্তা লুকাই আছে।
আশাৰ পালতৰা নাওখনি
আগুৱাই যায় অলেখ ঢৌৰ
আঘাতৰ মাজতো
সি কেৱল আগুৱাব বিচাৰে
কাৰণ আগুৱালেহে সি
সেউজীয়া হৈ পৰিব।
হিংসা, কুটিলতা, জটিলতা,
দুখ-বেদনা, হৃদয়হীন, স্বপ্নবিহীনতা
এই সকলোবোৰ পাইও
মই সেউজীয়া হৈ থাকিব বিচাৰোঁ
কাৰণ ...
এই সুন্দৰ সেউজীয়া পৃথিৱীত
মই হালধীয়া হ'ব নিবিচাৰোঁ।

❑❑

# প্ৰেমৰ খৰালি

প্ৰিয়ংকা চন্দ

নুমাই থকা বন্তিবোৰ
জ্বলাই দিয়া
এন্ধাৰ বুকু পোহৰ হওক
জপাই থোৱা খিৰিকিবোৰ
খুলি দিয়া
সেউজীয়া বতাহজাক সোমাই আহক
তুলি থোৱা নাঙলবোৰ নমাই অনা
চিকুণ পুৰাৰ টোপনি ভাগক
শুই থকা পক্ষীবোৰক
জগাই দিয়া
ডেউকাৰ কোবোনাৰে সপোন সিঁচক
ভেকুলীৰ বিয়াখন
পাতিবলৈ দিয়া
প্ৰেমৰ বৰযুণজাক নামি আহক
নদীৰ বান্ধবোৰ
ভাঙি পেলোৱা
কলিজাৰ মলিয়ন ধুই নিয়ক
এতিয়া যে
ভঙা কলিজাতো
প্ৰেমৰ খৰালি

❑❑

# মোৰ গান যে নহয় শেষ

লক্ষীচন্দ্ৰ দাস
স্নাতক দ্বিতীয় ষাণ্মাসিক



মোৰ গান যে নহয় শেষ
শেষ কৰি বিদায় দিলেও
সি কথা কয়
বিশেষ বিশেষ।
শেষ কৰাৰ পিছতে সি
অলেখ হৈ আহে
মোৰ শেষ কৰাৰ স্পৰ্ধা দেখি হাঁহে।
গান! তুমি দেখিছানে
অনেক গগনচুম্বী অট্টালিকাৰ শাৰী?
তাৰ ছাঁত দেখিছানে আৰু গৃহহীন নাৰী?
সেইয়ে মই নিলিখিলো গানৰ শেষত দাড়ি
হে মোৰ গান!
তয়ে মোৰ নুচুকোৱা প্ৰাণ

❑❑

# এমুঠি যন্ত্ৰণা

শিৱানন্দ মজুমদাৰ
স্নাতক দ্বিতীয় ষাণ্মাসিক

তোমাৰ ভালপোৱাৰ আঘাতত
ক্ষুন্ন হৈছিল মোৰ হৃদয়
এটি সপোনৰ দৰেই আহিছিল মোৰ জীৱনলৈ
ক্ৰমাৎ বাঢ়িছিল এটি আশা
আশাবোৰে সাজিছিল অট্টালিকাস্বৰূপ স্বপ্নৰ ঘৰ
আৰু এদিন — স্বপ্নবোৰ ভংগ হ'ল
সকলোবোৰ ক্ষত-বিক্ষত কৰি গুচি গ'লা
ভাবিবলৈ ল'লো তুমি আৰু মই আচলতে
কাহানিও লগ লাগিব নোৱাৰা
এখন নদীৰ দুটা উপকূল মাথোঁ
দুখে এতিয়া ঘৰ পাতি বহিছে হৃদয়ত
সুখৰ তেজাল গোলাপ পাহি মৰহি গ'ল
ৰক্তাক্ত হৃদয়ত কাঁইটৰ খোঁচা-বিন্ধা
যোৱাৰ বাটত এৰি গ'লা
এমুঠি মাথোঁ যন্ত্ৰণা বিৰহৰ।

❑❑





# জীৱনৰ নীলা ৰং

যমুনা দৈমাৰী
স্নাতক দ্বিতীয় ষাণ্মাসিক

কেনেকৈনো কওঁ তোমাক কোৱা?
মোৰ নানাৰঙী জীৱনৰ
সাগৰ নীলা ৰঙটিৰ কথা।
তাত যে সোমাই আছে
বিচ্ছেদৰ যন্ত্ৰণা আৰু নোপোৱাৰ বেদনা
আৰু আছে এৰি অহা
স্মৃতিৰ টুকুৰা।
গুণতে থাকিব দিয়া
মৰহি যোৱা সপোনৰ সেমেকা প্ৰত্নভাষা।
কেৱল তোমাৰ পৰশেৰে
আকৌ পাহি মেলিব দিয়া
মোৰ জীৱন ফুলনিৰ
সেউজীয়া আশা।
পাৰিবা জানো তুমি?
নকৈ ফুলাব
মোৰ সংঘাত ভৰা জীৱনৰ
ফুলনিৰ নুফুলা বেলা।
এখন নীলা জীৱন নৈত
নাও বাই যোৱা
মই যে এটি
নিঃসংগ নাৱৰীয়া।

❑❑



# ভালপোৱাৰ বেদনা

গীতাঞ্জলি বড়া
স্নাতক ষষ্ঠ ষাণ্মাসিক

তুমি বুজিব নুখুজিলে মোক
নিস্তেজ হৈ যায় মোৰ কলিজাৰ
সেউজীয়া ৰংবোৰ ...
শুকান সৰাপাত এসোপাৰ দৰে
খৰখৰাই উঠে মোৰ
সপোনৰ জীপাল সেউজীয়াবোৰ
বিয়পি পৰে তেজৰ
প্ৰতিটো কণাত
তুমিহীনতাৰ বিষাদৰ হুমুনিয়াহ
আৰু ভৱিষ্যতৰ স্নিগ্ধতাহীন পথত
মোৰ ভালপোৱাবোৰে
ৰক্ত পিপাসুৰ দৰে
অহৰ্নিশে আঘাত কৰে মোৰ সপোনক
আৰু মোৰ আশাবোৰো
অৱশ হৈ যায়
ক্ৰমশঃ ...
তোমাক বুজাব নোৱাৰাৰ যান্ত্ৰণাত ...
কোনোবাই জানো চাব খোজে
অকালতে হেৰাই যোৱা স্বপ্ন,
আশাৰ ওভতনি যাত্ৰা ...
সপোন জানো এনেকোৱা হয়
পোহৰক শেষ কৰি
আন্ধাৰক বিচৰা ...
ভালপোৱাই জানো শিকাব খোজে
আপোনজনক নুবুজাৰ বেদনা।

❑❑

# এটি পুৰণি কামিজ মই

দীপাংকৰ গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক

ঘড়ীৰ ডায়েৰীত
মই এটি অতীত কাহিনী
অৱশ্য মোৰ পুৰণি কামিজটোও পুৰণি ...
সি এলান্ধু লাগি এন্ধাৰ
কোঠাটোৰ
এটি কোণৰ নিঃসংগ এতিয়া।
মদাৰৰ দাম
গোলাপৰ বজাৰত
বিচাৰিলে পাওঁ ক'ত?
ঐশ্বৰ্য্যৰ প্ৰসাদত
বিলাসী আৰৰ
এসময়ৰ চিনাকী
সুগন্ধি সুৰভি
পাহৰণিত আজি অচিনা হ'ল
অতীত স্মৃতিয়ে
ৰোমন্থন কৰাই
তুমি কেঁচা দলিলত
দিয়া প্ৰতিশ্ৰুতি
সময়ে উৰুৱাই নিয়া
চিনাকী আপোন ভেঁটি
মই আজি নীৰৱ দৰ্শক
নৈৰ চাকনৈয়াত
মই দিশ হেৰুৱাই
মৌনতাৰ দিশে ধাৱিত
অমৰ তুমি।
তুমি মাথোঁ নিস্তব্ধতাৰ
একা শ্ৰোতা। ❑❑



# অনুভৱ

বৰ্ণালী নেওগ
স্নাতক ষষ্ঠ ষাণ্মাসিক

মোৰ এই ৰিক্ত হৃদয়ত
কাৰোবাৰ প্ৰতি থকা
মৰম ভালপোৱা
সকলো বিলীন হৈ গ'ল নেকি?
নিজে নজনাকৈ,
নিজে নভবাকৈ,
সকলো ঘটনা দুঃস্বপ্নৰ দৰে।
মোৰ জীৱনৰ ৰসিকতাও যেন
ঠিক তেনেকুৱাই।
যৌৱনৰ চাকনৈয়াত উটি আহি
ক'ৰবাত ঠেকা খাই ৰ'লেহি
মনৰ কল্পনা বাসনাৰ
ব্যাঘাত জন্মায়
এতিয়া মাথোঁ আধৰুৱা স্বপ্নৰ ভীৰ
মোৰ এই প্ৰত্যাশাৰ হৃদয়ত।
❑❑



# কিয়নো অচিন হৈয়ো চিনাকী তুমি

মণি ফুকন
স্নাতক চতুৰ্থ ষাণ্মাসিক

সদায় নিশা সপোনত তুমি আঁহা
সপোনতে তুমি হাজাৰ সপোনৰ
ছবি আঁকি যোৱা।
জীৱনৰ সকলোবোৰ দুখৰ মাজতো
তুমি এচেৰেঙা সুখৰ ৰ'দ
বাকি থৈ যোৱা।
নাজানো তুমি কোন
কিয় আহা মোৰ সপোন পুৰীলৈ
তথাপিতো মনে তোমাক চিনে।
বিচাৰে তুমি এনেকৈয়ে অহাটো।
এনেকৈয়ে আহি এবুকু মৰম
দি যোৱাটো।
কিয়নো ...
অচিন হৈয়ো চিনাকী তুমি।
❑❑



# নষ্টালজিয়া

দীপশিখা বড়া
স্নাতক ষষ্ঠ ষাণ্মাসিক

চিকিমিকি সন্ধিয়া চোতালত বহি
আইতাৰ সাধুকথাৰ দেশলৈ
উৰা মাৰিব খোজে মন ...
আইতাৰ হোলা মুখখনিৰ ফাঁকেৰে
সৰি পৰে ঢেকঢেকীয়া এটি হুঁহি
তাৰ পিছতে এয়া আৰম্ভ
"মৰমৰ মইনাহঁত ...
এখন দেশত এজন ৰজা আছিল ..."
কি আছিল সেই দিনবোৰত?
আইতাৰ সাধুবোৰে দিছিল
এখন অচিন দেশৰ ঠিকনা,
য'ত আছিল কেৱল
মৰম, বিশ্বাস আৰু নিৰাপত্তা।
কৃত্ৰিমতাই ঢুকি নোপোৱা এখন
কলুষতাবিহীন পৃথিৱীৰ ঠিকনা।
নষ্টাল্‌জিয়াত কক্‌বকাই থকা
এয়া যে আইতাৰ জোনাকীৰ মেলা।
❑❑

# তুমি আহিবা বুলি

নিতু চাংমাই
স্নাতক ষষ্ঠ ষাণ্মাসিক

তুমি আহিবা বুলি মোৰ ঘৰৰ
কাকিনি তামোলজোপাই
তোমাৰ কথাকে কয়,
আৰু শেৱালিজোপাই কয়,
তুমি হেনো মোৰ ...
মোৰ বাবেই তুমি
আৰম্ভ কৰিছা সেই যাত্ৰা
য'ত স্নেহৰ আবিৰে ফাকু খেলে ...
ক্ৰমশঃ হেঙুল হাইতালবুলীয়া হৈ পৰে
এই পৃথিৱী, নদী, এই উপত্যকা;
জানো, তুমি প্ৰেমৰ বেদীত
প্ৰাৰ্থনাৰত চিৰযুগমীয়া সেই নাৰী
যাৰ পাজিসেৰীয়া আঙুলিৰ ফাঁকেৰে
সৰকি আহে হেজাৰ বসন্তৰ সপোনবোৰ,
যাৰ সজল চাৱনি দেখি ডুব যোৱা
বেলিটোৱে আকৌ মুৰ দাঙে
তোমাৰ বাবেই ...
তুমি আহিবা বুলি ...
□□





# শৰত

কেশৰী ভূঞা
স্নাতক ষষ্ঠ ষাণ্মাসিক

শেৱালি, বকুল
ফুলেৰে
উপচি পৰিল সুগন্ধি ফুলবোৰ
ইচাট-বিচাট পচোৱা লাগি মৰমবোৰ ফুলিছে
ফুলি ফুলি সৰি যাব পাপৰি
সুবাসবোৰ গাঁথিবানে
বুকুৰ কুঁকিত
বুটলি বুটলি
বুটলি ...
হেঙুল হাইতাল বোলোৱা বাটেৰে
ফুলবোৰ ফুলি যাব
গৈয়ে আছে বছৰ, দিন, মাহ, ঋতু ...
মাথোঁ বতাহে লৈ যাব গোন্ধ।
□□






অসমীয়া বিভাগ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত কৰা "আলোচনা তথা বিহু প্ৰদৰ্শন"ৰ এখনি আলোকচিত্ৰ। ⇦

অধ্যক্ষ শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱাৰদ্বাৰা 'আধাৰ' দ্বিতীয় সংখ্যা উন্মোচনৰ এখনি আলোকচিত্ৰ। ⇨





আলোচনাচক্ৰ আৰু বিহু প্ৰদৰ্শনৰ উদ্দেশ্য ব্যাখ্যা কৰি থকা অবস্থাত অধ্যাপক ৰঘুনাথ কাগয়ুং। ⇦

গীত

# আগন্তুক শৰত

গীতালি শ্যাম
স্নাতক দ্বিতীয় ষাণ্মাসিক

শৰত আহিলে নিয়ৰ সৰিব
দুবৰিৰ দলিছা ভৰি;
শৰত আহিলে শেৱালি ফুলিব
মন-প্ৰাণ উতলা কৰি।

শাৰদী জোনাকে আকাশ ভৰিব
একলা দুকলা কৰি;
পোহৰৰ ঢৌ উঠিব নামিব
জোনাকক সাৰথি কৰি।

ফুলিব ফুল শেৱালি-নেৰালি
যুতি-জাঁই থোক ভৰি;
প্ৰকৃতি দেৱীয়ে সাজিব-কাচিব
দেহ-মন জুৰ কৰি। ❑❑

জ্ঞান বিচিত্ৰ

# পাইথিৰাছৰ অভিযান

ভাস্কৰ চাংমাই
স্নাতক দ্বিতীয় ষাণ্মাসিক

গ্ৰীক সদাগৰ পাইথিয়াছে (Phtheas) কেইবাটাও দুঃসাহসিক অভিযানৰ সৈতে জড়িত আছিল। বণিজ বেহাবৰ উদ্দেশ্যে এওঁ খ্ৰীষ্টপূৰ্ব ৩৩০ মানতে সুদূৰ মালিছিয়াত উপস্থিত হৈছিলগৈ। ভূমধ্যসাগৰৰ মাজেৰে গৈ আটলাণ্টিক মহাসাগৰৰ দাঁতিয়ে দাঁতিয়ে উত্তৰৰ দিশলৈ আগবাঢ়ি ইংলিছ চেনেল পাৰ হৈ তেওঁ কৰ্নবাল পাইছিলগৈ। তেতিয়ালৈ মানুহে জনা আটাইতকৈ দুৰণিৰ দেশ 'থুলে'লৈকো এওঁ অভিযান চলাইছিল। পাইথিয়াছে সম্ভৱতঃ তেওঁৰ যাত্ৰাকালত ৰাইন আৰু ৰোন — এই দুয়োখন নদী কেইবাবাৰো অতিক্ৰম কৰিছিল। দুঃসাহসী বীৰ পাইথিয়াছ অৱশ্যে প্ৰতিবাৰতে সুকলমে স্বদেশলৈ উলটি আহিব পাৰিছিল। উত্তৰ মেৰুত দেখা পোৱা 'উত্তৰী পোহৰ' বা "অ'ৰোৰা ব'ৰিয়েলিছ" (Aurura Borealis) প্ৰত্যক্ষ কৰা এঁৱেই আছিল পৃথিৱীৰ প্ৰথমজন মানুহ। ❑❑



প্ৰবন্ধ

# বৰ্তমান যুৱ প্ৰজন্মৰ মাজত অপৰাধ প্ৰৱণতা

সোণমণি পগাগ
স্নাতক ষষ্ঠ ষাণ্মাসিক



বৰ্তমান বিশ্বত যিমানে শিক্ষাৰ পোহৰ বৃদ্ধি পাইছে সিমানে অপৰাধৰ প্ৰৱণতা বৃদ্ধি পাইছে। নিতৌ টি. ভি., ৰেডিঅ', বাতৰি কাকত আদি চালে দেখা পাওঁ যুৱক-যুৱতীৰ উশৃংখলতাৰ বাবে হোৱা অপৰাধ, স্কুল, কলেজৰ ছাত্ৰৰ বাইক লৈ উদ্ভণ্ডালি, শিক্ষানুষ্ঠানৰ পৰা পলাই গৈ মদ, ভাং, চিগাৰেট আদি ৰাগিয়াল দ্ৰব্য সেৱন কৰি আইন-শৃংখলা নামানি ঘূৰি ফুৰা আদিৰ লগতে মাক-দেউতাক, শিক্ষাগুৰু আদিৰ অবাধ্য হৈ সমাজৰ কিছুমান ৰীতি-নীতি মানিবলৈ অৱহেলিত কৰি কিছুমান অপৰাধ কৰা দেখা পাওঁ।

আজি যুৱ প্ৰজন্মৰ মাজত অপৰাধ বৃদ্ধি হোৱাৰ মূল কাৰণ হৈছে নিচা জাতীয় দ্ৰব্য সেৱন, ভোগবাদী জীৱনত দামী দামী বাইক, ম'বাইল লৈ ফুৰিব বিচৰা, কিছুমান পাশ্চাত্যৰ অপৰাধমূলক ছবি, চিনেমা আদি চোৱা। এইবোৰৰ হৈছে প্ৰতিদিনৰ ঘটনা পৰিঘটনা বাতৰিৰ গৰম খবৰ।

এই বাতৰিৰ গৰম খবৰ যেনে — যুৱক-যুৱতীৰ উশৃংখলতা, হত্যা-লুণ্ঠন, ধৰ্ষণ আদিবোৰৰ হাতসাৰিবলৈ হ'লে প্ৰথমে পিতৃ-মাতৃয়ে নিজ সন্তানক নীতিশিক্ষা দিব লাগিব লগতে কৰি দেখুৱাব লাগিব। কিয়নো যৌৱনৰ সময়তহে মানুহৰ মন চঞ্চল হয়, আবেগিক হয় আৰু অপৰাধ প্ৰৱণতাও বৃদ্ধি পায়। সেয়ে মই ভাবো যে এখন সুস্থ সমাজৰ বাসিন্দা হ'বলৈ হ'লে প্ৰথমে নিজে তাৰ পাছত নিজৰ পৰিৱেশ, বন্ধু-বান্ধৱ আদিত ভাল কৈ গঢ়ি ল'ব লাগিব। বন্ধু বাচিব জানিব লাগিব, সন্দেহ, ঈৰ্ষা, অহংকাৰ পাহৰিব লাগিব, বিপদৰ সময়ত সহায়-সহযোগ, উৎসাহ আদিৰ সমভাগী হ'ব পাৰিব লাগিব। তেতিয়াহে এজন এজনকৈ আমাৰ সমাজৰ প্ৰতিজন যুৱক-যুৱতীৰ মাজত অপৰাধ নাথাকিব বা বৃদ্ধি নাপাব। তেতিয়াহে এখন নিকা সমাজ গঢ়ি উঠিব আৰু হয়তো নিতৌ বাতৰিৰ প্ৰথম পৃষ্ঠাত অপৰাধ প্ৰৱণতাৰ কথা কমি আহিব।

❑❑

সা
ম
য়ি
ক
চি
ন্তা

# নাৰী আৰু একবিংশ শতিকাৰ সমাজ ব্যৱস্থা

মণিদীপা লাহন
স্নাতক ষষ্ঠ ষাণ্মাসিক



অতীতৰ পৰা ইতিহাসৰ পাত লুটিয়ালেই আমি দেখিবলৈ পাওঁ অনেক নাৰী চৰিত্ৰ। যিয়ে নিজ দেশ আৰু জাতিৰ বাবে আত্মদান দিবলৈও কুণ্ঠাবোধ নকৰে। এই ক্ষেত্ৰত অসমীয়া নাৰী চৰিত্ৰ কথা ক'বলৈ গ'লে আমি প্ৰথমেই নাম ল'ব লাগিব জয়মতী কুঁৱৰী আৰু মূলাগাভৰুৰ দৰে ৰমণীৰ, কাৰণ তেওঁলোকৰ চৰিত্ৰৰ মাজত লুকাই আছে অসমীয়া নাৰীৰ সতীত্ব, স্বামীভক্তি আৰু দেশভক্তিৰ লগতে আত্মদানৰ মহান আদৰ্শ। যি আদৰ্শৰ লগত জড়িত হৈ আছে সমাজৰ মূল্যবোধ। সময়ৰ সুঁতিত এই আদৰ্শ আৰু মূল্যবোধৰ মূল্য নোহোৱা হৈ যাব ধৰিছে যদিও সতী-সাধনী আৰু অসমীয়া ৰমণী জয়মতী কুঁৱৰীক আৰু মূলা গাভৰুক অসমৰ ইতিহাসৰ পৰা কেতিয়াও মচি দিব নোৱাৰি। কাৰণ অসমীয়া মানুহৰ বাবে ই আদৰ্শ নাৰী চৰিত্ৰ যাৰ জৰিয়তে আমাৰ জাতীয় জীৱনত সাংস্কৃতিক আৰু সামাজিক মূল্যবোধৰ সংমিশ্ৰণে এটা নতুন ভেটিৰ সৃষ্টি কৰিলে আৰু সমগ্ৰ নাৰী জাতিটোকে এক বিশেষ মৰ্যাদা দি আহিছে। সেয়ে হয়তো আমি আজি সমাজত নিজকে পৰিচয় দিব পাৰিছো অসমীয়া নাৰী বুলি।

কিন্তু আজিৰ সমাজত নাৰীয়ে কেনেধৰণৰ ভূমিকা পালন কৰি আহিছে আৰু নাৰীয়ে সমাজত কিমান নিৰাপত্তা পাইছে সেয়া যেন সমগ্ৰ নাৰী সমাজৰ বাবে এটা জটিল প্ৰশ্ন হৈ পৰিছে। ২০০৮ চনত প্ৰকাশিত 'Assamese Women In Indian Independence Movement' নামৰ গ্ৰন্থত লিখিছিল — "অসমীয়া বিবাহিত মহিলাৰ মূল উদ্দেশ্য হৈছে মাতৃত্ব লাভ কৰা"। কিন্তু বৰ্তমান সময়ত একমাত্ৰ মাতৃত্বৰ গৌৰৱ অৰ্জন কৰাটোৱেই নাৰীৰ মূল উদ্দেশ্য হৈ থকা নাই। আজিৰ অসমীয়া নাৰী হৈ পৰিছে শিক্ষিতা, সু-নাগৰিক আৰু আৰ্থিকভাৱে সৱল যিয়ে জন্ম দিব বিচাৰে এনে এক সু-সন্তান যিয়ে



নিজৰ সমাজখনক জীয়াই ৰাখিব পাৰে।

এটা সময়ত নাৰীক ধৈৰ্য আৰু কষ্ট-সহিষ্ণুতাৰ প্ৰতীক বুলি কোৱা হৈছিল কাৰণ শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতিতা মহিলা এগৰাকীয়েও স্বামীৰ প্ৰতি থকা দায়িত্ব পালন কৰিছিল। কিন্তু বৰ্তমান যেন সকলো সলনি হ'ব ধৰিছে, সেয়ে সলনি হৈছে নাৰীৰ চৰিত্ৰ। অতীতৰ নাৰীৰ সেই অমায়িক, দায়িত্বশীল, সৱল, স্নেহশীলতা চৰিত্ৰৰ বিপৰীতে বৰ্তমান অসমীয়া নাৰী হৈ পৰিছে ধৈৰ্যহীন, দায়িত্বহীন আৰু উচ্ছৃংখল। যিখন অসমত জয়মতী আৰু মূলাগাভৰুৰ দৰে নাৰীয়ে দেশৰক্ষা আৰু স্বামীৰ জীৱন ৰক্ষা কৰিবলৈ অতি কষ্টৰে হ'লেও আজিৰ একবিংশ শতিকাত নিজৰ দেশ আৰু স্বামীৰ বাবে কি কৰিছে? বৰ্তমান নাৰীয়ে যেন পাহৰি পেলাইছে স্বামীভক্তি, বংশৰ মৰ্যাদা, কৰ্তব্য আৰু দায়িত্ববোধৰ কথা।

এই ক্ষেত্ৰত নাৰী আৰু পুৰুষ সমানে জগৰীয়া, কাৰণ কেতিয়াবা পৰিৱেশৰ বশৱৰ্তী হৈও নাৰীয়ে হেৰুৱাব লগা হৈছে নিজৰ মৰ্যাদা। বৰ্তমান সমাজ ব্যৱস্থাত নাৰী হৈ পৰিছে পুৰুষৰ ভোগ-বিলাসৰ সামগ্ৰী। বহু নাৰীয়ে অৱহেলিত আৰু নিষ্পেষিত হৈ জীৱন অতিবাহিত কৰিবলগা হৈছে। সমাজত ত্ৰাসৰ সৃষ্টি কৰা যৌতুকৰ পৰা আৰম্ভ কৰি জাতিভেদ, সন্তানহীনতা আদি কাৰকৰ গইনা লৈ একোগৰাকী বোৱাৰীক পতিগৃহত নিৰ্যাতন চলোৱাৰ লগতে নাৰীক ধৰ্ষণ, হত্যা, অশালীন ব্যৱহাৰ কৰাটো যেন সাধাৰণ হৈ পৰিছে। কিন্তু এই সকলোবোৰতকৈ যে এগৰাকী নাৰীৰ মূল্য কিমান বেছি সেই কথা আজিৰ মানুহে পাহৰি গৈছে।

এখন সমাজ উন্নতি হ'বলৈ হ'লে নাৰীৰ উন্নতি হ'বই লাগিব কাৰণ নাৰী হৈছে যুগস্ৰষ্টা আৰু যুগদ্ৰষ্টা। সেয়ে নেপোলিয়নে কৈছিল — "Give me a good mother, I will give you a good nation"। কিন্তু এনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহাৰ স্বত্বেও আজি আমাৰ পুৰুষপ্ৰধান সমাজে নাৰীক খোজে খোজে অৱদমিত আৰু পদদলিত কৰি আহিছে। এই ক্ষেত্ৰত সমগ্ৰ নাৰী জাতিটো সজাগ হৈ প্ৰত্যেকগৰাকী নাৰীয়ে নাৰীৰ বাবে চিন্তা কৰিব লাগিব আৰু সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত নাৰীসকল ঐক্যবদ্ধ হ'লেহে নাৰীৰ উন্নতি হ'ব। ❑❑

# বৰ্তমান সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

চিমি গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক

বৰ্তমান সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। নাৰী শিক্ষা নথকাৰ ফলত দেশ বা সমাজত বিভিন্ন সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। এই সমস্যাসমূহ ৰোধ কৰিবৰ বাবে নাৰী শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগে। কাৰণ শিক্ষাই মানুহৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগে। কাৰণ শিক্ষাই মানুহৰ মনৰ অজ্ঞতা দূৰ কৰি জ্ঞানৰ সঞ্চাৰ কৰে। জৱাহৰলাল নেহৰুৱে কৈছিল "এটা ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা"।

নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে এটা সুস্থ পৰিয়াল বা সমাজৰ সৃষ্টি হয়। এগৰাকী নাৰী যিহেতু মাতৃও, সেইবাবে নাৰীগৰাকী শিক্ষিতা হ'লেহে তেওঁ সন্তানক সুপথেৰে পৰিচালনা কৰিবলৈ সক্ষম হ'ব। নাৰী শিক্ষাৰ অভাৱত সমাজত ডাইনী হত্যা, সতীদাহ, শিশুকন্যা বধ, শিশুকন্যাৰ ভ্ৰূণ হত্যা, ধৰ্ষণ, বলাৎকাৰ আদি সমস্যা সঘনাই সংঘটিত হ'ব ধৰিছে। ইয়াৰ উপৰিও ছোৱালীবিলাকক বোজা হিচাপে লৈ শিক্ষা গ্ৰহণৰ পৰা দূৰত ৰাখি কম বয়সতে বিয়া দিয়া আৰু যৌতুক আনিব নোৱাৰাৰ বাবে বোৱাৰীৰ ওপৰত বিভিন্ন নাৰীয়ে নাৰীৰ শত্ৰু হৈ পৰা পৰিলক্ষিত হয়। শিক্ষিতা আৰু অশিক্ষিতা নাৰী নিৰ্বিশেষে সমানে এনে সমস্যা বা নিৰ্যাতনৰ বলি হৈছে। নাৰী শিক্ষাৰ ব্যাপক প্ৰসাৰ হ'লেহে এনে নিৰ্যাতন বা সমস্যাৰ বিৰুদ্ধে নাৰীসকলে থিয় দিব পাৰিব।

গতিকে দেখা যায় যে এই সমস্যাসমূহ ৰোধ কৰি নাৰীয়ে আগুৱাই যাবলৈ হ'লে প্ৰতিগৰাকী নাৰী উপযুক্ত শিক্ষাৰে শিক্ষিত হ'ব লাগিব আৰু নাৰীসকলে কেৱল ঘৰুৱা কামতে নিয়োজিত নাথাকি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব লাগিব। তেতিয়াহে দেশ বা সমাজৰ সৰ্বাংগীন দিশত উন্নতি হ'ব। কাৰণ নাৰী শিক্ষাৰ প্ৰসাৰেহে সমাজলৈ পৰিৱৰ্তন আনিব পাৰিব।

□□



# আজিৰ শিক্ষা মোক নালাগে

মলয়া গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক


বিভিন্নজন পণ্ডিতে কয় যে মানুহৰ মনক নিয়ন্ত্ৰণ কৰিবৰ বাবে জ্ঞান আহৰণ কৰাই শিক্ষা। মানুহে বিশ্বাস কৰে যে শিক্ষাই মানুহক বৰ্বৰতাৰ পৰা তুলি ধৰে আৰু প্ৰকৃত জ্ঞানী মানুহ হোৱাৰ পথ দেখুৱাই। কিন্তু আমি বাৰু এই কথা স্পষ্ট কৈ ক'ব পাৰিম নে যে আজৰি শিক্ষাই আমাক বৰ্বৰতাৰ পৰা সম্পূৰ্ণ মুক্ত কৰিছে বুলি...? হে মোৰ প্ৰাণৰ বন্ধুসকল এই কথা তোমালোকেই বিশ্বাস কৰিব পাৰিবা নে মই পাৰিম...? মই হয়তো নোৱাৰিম। কাৰণ আজিৰ এই শিক্ষাই আমাক কেৱল ডিগ্ৰী, ডিপ্লোমা, প্ৰমাণ পত্ৰ লোৱাত সহায় কৰিছে সঁচা কিন্তু আমাক কেতিয়াও প্ৰকৃত জ্ঞান দিয়া নাই আৰু আগলৈও যে কেতিয়াবা দিব তাৰো সন্দেহ। হে মোৰ প্ৰাণৰ বন্ধুসকল, তোমালোকে এবাৰ ভাবিচোৱা আজি আমি অসমীয়া ছাত্ৰ-ছাত্ৰী হৈও নিজকে উচ্চ দেখুৱাবলৈ আমাৰ মৰমৰ সাজ-পাৰ, ৰীতি-নীতি, কলা-সংস্কৃতি সকলো পাহৰি পেলাইছো যিবোৰ কেৱল আমাৰ মৰমেৰে নহয় আমাৰ জাতিৰ প্ৰধান অংগস্বৰূপ আছিল আৰু সেইবোৰ পৰিহাৰ কৰি আজি আমি আনৰ ৰীতি-নীতি, সাজ-পোছাক, কলা-সংস্কৃতি গ্ৰহণ কৰিছো আনকি আমাৰ অসমীয়া ভাষাও আজি সলনি কৰিছো, যি ভাষাই আমাৰ জাতিৰ পৰিচয় দিয়ে সেই ভাষাকে আজি আমি সলনি কৰি পেলাইছো অৰ্থাৎ আজি আমি খিচিৰি অসমীয়া ভাষা কওঁ। কিন্তু এইবোৰ কেতিয়াও শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য নাছিল। আজি আমি শিক্ষা গ্ৰহণ কৰাৰ পাছত দয়া, মমতা, পৰোপকাৰ, সহানুভূতি আদি মানৱতাৰ গুণবোৰ পাহৰি পেলাইছো আৰু গ্ৰহণ কৰিছো হিংসা, দ্বেষ আদি অমানৱীয় আচৰণবোৰ। আজিৰ শিক্ষিত সমাজৰ সন্তানে নিজৰ পিতৃ-মাতৃক মা, দেউতা বুলি সম্বোধন নকৰে। সম্বোধন কৰে মাম্মী, ডেড্ডী বুলি। কিন্তু আমি কেতিয়াও স্বীকাৰ কৰিব নোৱাৰো যে মাম্মী বা ডেড্ডী বুলি সম্বোধন কৰিলেই মাক বা দেউতাকক উচ্চস্থানত থোৱা নুবুজাই। সন্তানৰ কাৰণে মাক সদায়ে মাকেই অৰ্থাৎ 'মা' বুলি সম্বোধন কৰিলে আমাৰ মনত যিমান শ্ৰদ্ধা, ভক্তি উদয় হয় সেয়া কেতিয়াও 'মাম্মী' সম্বোধন কৰি লাভ কৰিব নোৱাৰি। পুৰণি সম্বোধনবোৰে সম্বোধনটোৰ লগে লগে অন্তৰত গভীৰ শ্ৰদ্ধাক বুজাইছিল। কিন্তু আজিৰ সম্বোধনে হয়তো শ্ৰদ্ধা কি বস্তু চিনি নাপাব। আজিৰ সভ্য সমাজত পিতৃ-মাতৃ সকলো সমানে জগৰিয়া। তেওঁলোকে গাঁওৰ পৰা আহি চহৰত বাস কৰিবলৈ লোৱাৰে পৰা নিজৰ সন্তানক শিকায় দিয়ে যে মোক "মাম্মী" বুলি মাতিবা। জোৰ কৰি ঘৰতো ইংৰাজী শব্দ

ব্যৱহাৰ কৰায় আৰু আনৰ আগত গৌৰৱ কৰি কয় এই বুলি — "বুজিছা বৰুৱানী, আমাৰ ৰিংকুয়ে আক মোক "মাম্মী" বুলিহে মাতে, সি যে অসমীয়া কথা ক'বই নোৱাৰে"। এই কথাটো আনৰ আগত ব্যক্ত কৰিবলৈ অকণমানো সংকোচ নকৰে। এই সম্বোধন কেৱল এটা উদাহৰণ। এনে ধৰণৰ বহুতো উদাহৰণ আমি পাওঁ, যাৰ বাবে আজিৰ সন্তানে মাক-দেউতাকৰ পৰা আঁতৰি বাহিৰত পঢ়িবলৈ যায় আৰু বাহিৰলৈ যোৱাৰ লগে লগে নিজৰ দায়িত্ব আৰু কৰ্তব্য পাহৰি যায় আৰু পিতৃ-মাতৃয়ে জীৱনৰ অন্তিম সময়তো দেখা নাপায়। তেওঁলোকক একো একোটা বোজা বুলি ভাৱে আৰু আঁতৰি থাকিব বিচাৰে ঘৰৰ পৰা নগৰত ঘৰ পাতি নিজৰ পৰিয়াল চলাই। তেওঁলোক গাইগুটীয়া, স্বাৰ্থপৰ হৈ পৰে। কেৱল নিজক লৈ ব্যস্ত থাকে পিতৃ-মাতৃক অৱহেলা কৰে। এই সকলোবোৰ বৰ্তমান শিক্ষাৰ ফলাফল, কাৰণ আজিৰ শিক্ষাই আমাক শিকাই দিলে যে অৰ্থ উপাৰ্জনেই আমাৰ লক্ষ্য। যাৰ শিক্ষা নাই তেওঁ মানৱতাৰ জ্ঞান আছে তেওঁ কেতিয়াও নিজৰ মাক-দেউতাকৰ পৰা আঁতৰি থকা নাই সেই বাবেই ক'ব পাৰো তেওঁলোক আমাত কৈ বেছি শিক্ষিত। আমি কি পালো কেৱল পুথিৰ অলপ জ্ঞান আনহাতে তেওঁলোকে শিক্ষা গ্ৰহণ নকৰাকৈ মানৱতাৰ অৰ্থাৎ প্ৰকৃত জ্ঞান পালে। যি জ্ঞান অমৃতৰ সদৃশ আৰু আমি পোৱাবোৰ বিষৰ সদৃশ নহ'লেও বিষতকৈ কম নহয়। সেই বাবে আজিৰ শিক্ষা মোক নালাগে...।

❑❑

---

## অসমীয়া বিভাগৰ বিভিন্ন মুহূৰ্তৰ ছবি





## অসমীয়া বিভাগৰ বিভিন্ন মুহূৰ্তৰ ছবি







# অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ

(শৈক্ষিক বৰ্ষঃ ১৬ জুলাই, ২০১৪-ৰ পৰা ১৫ জুলাই, ২০১৫ লৈ)
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়, সোণাৰি
বিভিন্ন বিভাগৰ 'বিভাগ' আৰু 'পদবী'ৰ দায়িত্ববাহী ছাত্ৰ-ছাত্ৰীৰ তালিকা

## কেন্দ্ৰীয় অধিনায়ক

(অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ শৈক্ষিক বৰ্ষ পৰিচালনা কৰিবৰ বাবে গঠিত কেন্দ্ৰীয় সমিতি)

**পঞ্চম ষাণ্মাসিকৰ অধিনায়কঃ** দীপাংকৰ গগৈ
**তৃতীয় ষাণ্মাসিকৰ অধিনায়কঃ** সমীৰণ বৰগোহাঁই
**প্ৰথম ষাণ্মাসিকৰ অধিনায়কঃ** দীপজ্যোতি প্ৰধান

## 'আধাৰ'

(অঃ অঃ আঃ গঃ কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা)

**সম্পাদিকাঃ** সোণমণি পগাগ
**সদস্য-সদস্যাঃ** ভাস্কৰজ্যোতি ফুকন ঃ পঞ্চম ষাণ্মাসিক
কৃতী চাংমাই ঃ তৃতীয় ষাণ্মাসিক
চন্দ্ৰিকা কোঁৱৰ ঃ প্ৰথম ষাণ্মাসিক

## 'সাহিত্যম্'

(অঃ অঃ আঃ গঃ কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা)

**সম্পাদিকাঃ** মণিদীপা লাহন
**সদস্য-সদস্যাঃ** অভিজিৎ বৰুৱা, দীপশিখা বৰা, গীতাঞ্জলী বৰাঃ পঞ্চম ষাণ্মাসিক
কাশ্মিৰী গগৈ ঃ তৃতীয় ষাণ্মাসিক
কবিতা কোঁৱৰ, ভাস্কৰ চাংমাই, মৌচুমী বৰুৱা ঃ প্ৰথম ষাণ্মাসিক

## 'আজিৰ লেখা'

(অঃ অঃ আঃ গঃ কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত দৈনিক আলোচনী)

**সম্পাদকঃ** হিমাংশু ৰঞ্জন বৰা
**সদস্য-সদস্যাঃ** দিগন্ত কলিতা ঃ পঞ্চম ষাণ্মাসিক
লভিতা হাজৰিকা, হীৰেণ বৰগোহাঁই ঃ তৃতীয় ষাণ্মাসিক
সুস্মিতা কৰ্মকাৰ, বনশ্ৰী গগৈ, লক্ষীচন্দ্ৰ দাস ঃ প্ৰথম ষাণ্মাসিক


## 'বতৰা'

(অঃ অঃ আঃ গঃ কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত সাময়িক বাতৰি কাকত)

**সম্পাদক মণ্ডলীঃ** কস্তুৰী দত্ত, কেশৰী ভূঞা, মৌচুমী দেওঘৰীয়া
**সদস্য-সদস্যাঃ** নিতু চাংমাই, দময়ন্তী তাঁতী ঃ পঞ্চম ষাণ্মাসিক
অমৃত বৰা ঃ তৃতীয় ষাণ্মাসিক
জিস্তু হাজৰিকা, দীপাংকৰ দত্ত, দীপজ্যোতি গগৈ,
দীপজ্যোতি দত্ত ঃ প্ৰথম ষাণ্মাসিক



বিভাগীয় শিক্ষক দিৱসৰ
এটি মুহূৰ্তত
বিভাগীয় প্ৰধান
শ্ৰীযুত ৰঘুনাথ কাগ্যুং,
ডঃ ৰীতা দত্ত,
শ্ৰীযুতা ৰেখামণি গগৈ,
শ্ৰীযুতা বিজয়লক্ষী গগৈ



'সাহিত্যম'ৰ ১ ম সংখ্যা,
চলিত শৈক্ষিকবৰ্ষ-
২০১৪-১৫
উন্মোচনৰ এটি মুহূৰ্ত
উন্মোচক ঃ ডঃ ৰীতা দত্ত



'আধাৰ'ৰ ৩ য় সংখ্যা, ২০১৪
উন্মোচনৰ এটি মুহূৰ্ত
উন্মোচক ঃ
ডঃ ৰাজেন তামুলী,
(তদানীন্তন অধ্যক্ষ)
আৰু শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা,
(বৰ্তমানৰ অধ্যক্ষ)ৰ সৈতে
অন্যান্যসকল